বিহাৰ ৰাজ্যিক বিদ্যুৎ পৰিষদ,

*বনাম*

অখিল কৃষ্ণ মিত্ৰ আৰু অন্যান্য

১৮ নৱেম্বৰ, ১৯৯৬

[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. বি. পাটনায়ক]

*সেৱা আইন:*

*পেঞ্চন - দুটা প্ৰতিষ্ঠানত কৰ্মচাৰীগৰাকীয়ে চাকৰি কৰিছিল - কৰ্মচাৰীগৰাকীৰ পেঞ্চন সমানুপাতিকভাৱে প্ৰদান কৰিবলৈ নিয়োগকৰ্তাৰ দায়বদ্ধতা - ১৯৫০ চনৰ পৰা ১৯৫৯ চনলৈ কৰ্মচাৰীগৰাকীয়ে বিহাৰ ৰাজ্যিক চৰকাৰৰ অধীনত কৰ্মৰত আছিল আৰু ১৯৫৯ চনৰ পৰা ১৯৮৪ চনলৈ বিহাৰ ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অধীনত কৰ্মৰত আছিল - ৰাজ্য চৰকাৰে ১৯৫০ চনৰ পৰা ১৯৫৯ চনলৈ ভাৰ ল'বলৈ নাকচ কৰা - ৰায় দিয়া হ'ল যে কৰ্মচাৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ ওচৰত বিষয়টো সম্পৰ্কে অভিযোগ উত্থাপন কৰিব যিয়ে যুক্তিসঙ্গত আদেশেৰে বিষয়টোৰ নিষ্পত্তি কৰিব।*

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ: ১৯৯৬ চনৰ দেৱানী আবেদন সংখ্যা ১৫০৬৬।

১৯৯২ চনৰ চি.ডাব্লু.জে.চি. সংখ্যা ১১৫১৫-ত পাটনা উচ্চ ন্যায়ালয়ৰ ৭.১২.৯৩ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ প্ৰমোদ স্বৰূপ।

উত্তৰদাতাসকলৰ হৈ বি. বি. সিং আৰু ডি. পি. মুখাৰ্জী।

আদালতৰ দ্বাৰা নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিল:

অনুমতি প্ৰদান কৰা হ'ল।

আমি দুয়োপক্ষৰ বিজ্ঞ অধিবক্তাৰ বক্তব্য শুনিলোঁ।

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদন চি.ডাব্লু.জি.এচ. সংখ্যা ১১৫১৫/৯২-ত পাটনা উচ্চ ন্যায়ালয়ে ১৯৯৩ চনৰ ৭ ডিচেম্বৰ তাৰিখে প্ৰদান কৰা ৰায়দানৰ পৰা উদ্ভৱ হৈছে।

স্বীকাৰ্য স্থিতিটো হৈছে যে উত্তৰদাতাক চৰকাৰী কৰ্মচাৰী হিচাপে ১৯৫০ চনৰ জুন মাহত নিযুক্তি দিয়া হৈছিল আৰু আবেদনকাৰী-পৰিষদত ১৯৫৯ চনৰ ৪ আগষ্টত সাময়িকভাৱে নিযুক্তি দিয়া হৈছিল। ১৯৭০ চনৰ ২৫ নৱেম্বৰত বিদ্যুৎ পৰিষদত তেওঁৰ স্থায়ী নিযুক্তি হৈছিল আৰু ১৯৮৪ চনৰ ৩০ এপ্ৰিলত তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। প্ৰশ্নটো হৈছে যে পৰিষদে উত্তৰদাতাক কোনখিনি সময়ছোৱাৰ বাবে পেঞ্চন দিবলৈ দায়বদ্ধ? উচ্চ ন্যায়ালয়ৰ মত অনুসৰি যিহেতু তেওঁ ১৯৫০ চনৰ জুন মাহৰ পৰা ১৯৫৯ চনৰ আগষ্টলৈ চৰকাৰী সেৱাত সাময়িকভাৱে নিযুক্ত হৈ আছিল, সেইবাবে আবেদনকাৰী-পৰিষদে পেঞ্চন পৰিশোধ কৰা উচিত আৰু সমানুপাতিকভাৱে চৰকাৰৰ পৰা পেঞ্চনৰ ৰাশি আদায় কৰা উচিত। ৰাজ্য চৰকাৰে সেই ভাৰ ল'বলৈ নাকচ কৰে আৰু সেইবাবে পৰিষদে এই বিষয়ে আবেদন দাখিল কৰিছে। আমি ৰাজ্য চৰকাৰলৈ সূচনা জাৰি কৰিছোঁ। ৰাজ্য চৰকাৰে তাৰ প্ৰত্যুত্তৰ দিছে। হলফনামাত উল্লেখ কৰা হৈছে যে বিহাৰ পেঞ্চন নিয়মাৱলীৰ দ্বিতীয় খণ্ডৰ পৰিশিষ্ট ৫-২(iii) অনুসৰি যদিহে এগৰাকী চৰকাৰী কৰ্মচাৰীয়ে ৰাজ্য চৰকাৰৰ অধীকৃত সেৱাত ১০ বছৰৰ চাকৰি সম্পূৰ্ণ নকৰে, তেন্তে তেওঁ সমানুপাতিকভাৱে পেঞ্চন প্ৰাপ্তিৰ অধিকাৰী নহয়।

তাৰপাছত সূচনাখন উত্তৰদাতা-কৰ্মচাৰীক জাৰি কৰা হৈছিল। উত্তৰদাতা-কৰ্মচাৰীয়ে তাৰ বিপক্ষে যুক্তি আগবঢ়াইছিল যে উত্তৰদাতাই স্বইচ্ছাই সাময়িক নিযুক্তি গ্ৰহণ কৰা নাছিল, কিন্তু যেতিয়া আমি উচ্চ ন্যায়ালয়ত দাখিল কৰা হলফনামাৰ বিবৃতিসমূহ পঢ়ি চালোঁ, তেতিয়া আমি দেখা পালোঁ যে তেওঁ এয়া নিৰ্দিষ্টকৈ উল্লেখ কৰা নাই। ইয়াৰ পাছত তেওঁ এই আদালতত দাখিল কৰা প্ৰতি-হলফনামাত আপত্তি দৰ্শায় যে তেওঁক বিদ্যুৎ পৰিষদত তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে সাময়িক নিযুক্তি প্ৰদান কৰা হৈছিল। যদিও উত্তৰদাতাই এনেদৰে দাবী আগবঢ়াইছিল তথাপিও এনে পৰিস্থিতিত আমি এই আবেদনৰ বিতৰ্ক সম্বৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰোঁ। স্বীকাৰ কৰা অনুসৰি, উত্তৰদাতাই তেওঁ পৰিষদত কৰ্মৰত থকা সময়ছোৱাৰ বাবে পেঞ্চন প্ৰাপ্তিৰ অধিকাৰী আৰু তেওঁক সাময়িক নিযুক্তি প্ৰদান কৰা মাহটোৰ পৰা কাৰ্যকৰী হোৱাকৈ তেওঁক সেয়া পৰিশোধ কৰা হ'ব। মূল বিতৰ্কটো জুন, ১৯৫০-ৰ পৰা আগষ্ট, ১৯৫৯-ৰ সময়ছোৱাৰ সৈতে জড়িত। এয়া এক বিতৰ্কিত প্ৰশ্ন হোৱাৰ পৰিপ্ৰেক্ষিতত উপযুক্ত পদক্ষেপ হ'ব যে উত্তৰদাতা-কৰ্মচাৰীয়ে চৰকাৰৰ ওচৰত এক অভিযোগ উত্থাপন কৰা উচিত আৰু বিহাৰ ৰাজ্য চৰকাৰে অভিযোগ উত্থাপনৰ তাৰিখৰ পৰা তিনি মাহ সময়ৰ ভিতৰত আইন অনুসৰি অভিযোগটো বিবেচনা কৰি এক যুক্তিসঙ্গত আদেশৰ সৈতে তাৰ নিষ্পত্তি কৰিব।

সেই অনুসৰি আবেদনখন নিষ্পত্তি কৰা হ'ল। এয়া উল্লেখ কৰা হৈছে যে অনুৰূপ পৰিস্থিতিত যিসকল ব্যক্তিৰ নাম আবেদনত সন্নিবিষ্ট কৰা হৈছিল, তেওঁলোকক চৰকাৰৰ দ্বাৰা সুবিধা প্ৰদান কৰা হৈছিল। এয়া দেখা গৈছে যে উচ্চ ন্যায়ালয়ৰ আদেশ অনুসৰি পৰিষদে এই ধনৰাশি পৰিশোধ কৰিছে, সেয়ে পৰিষদে উচ্চ ন্যায়ালয়ৰ কাষ চাপি উপযুক্ত নিৰ্দেশাৱলী গ্ৰহণ কৰা উচিত।

আবেদন নিষ্পত্তি কৰা হ'ল।

* * * * * * * *

*অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")